অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং- ৫৩২

উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২৬

*বিষয়* : এই বিভাগৰ পুঁজিৰে নির্মিত অঙ্গনবাড়ী কেন্দ্ৰ সম্পৰ্কে।

বিধায়ক: শ্ৰী চক্ৰধৰ গগৈ

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ২০২৬ বৰ্ষত অনুষ্ঠিত বিধান সভা নিৰ্বাচনৰ আগে আগে অসমৰ বিভিন্ন প্ৰান্তত SDMA ৰ পুঁজিৰে সৰ্বমুঠ কিমান সংখ্যক অঙ্গনবাড়ী কেন্দ্ৰ মেৰামতিৰ বাবে অনুদান আগবঢ়াইছিল? তাৰে ডিব্ৰুগড় জিলাত কিমান সংখ্যক আছিল?

(খ) এই কেন্দ্ৰ সমূহ নিৰ্মাণ হৈ উঠিলনে? যদি উঠা নাই আৰু কিমান নিৰ্মাণ কৰিবলৈ বাকী আছে? জনাব।

(গ) এই অঙ্গনবাড়ী কেন্দ্ৰ সমূহ নিৰ্মাণ কাৰ্য্যৰ লগত জড়িত ব্যক্তি বা সমিতি সমূহে নিৰ্মণৰ বাবে পাবলগীয়া ধনৰাশি আদায় দিয়া হ'ল নে? যদি হোৱা নাই, কিয় হোৱা নাই আৰু কিমান দিনৰ পাছত এই ধন আদায় দিয়া হ'ব, সদনক অৱগত কৰিব।

উত্তৰঃ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

ক)National Disaster Response Fund (NDRF – PDNA, ২০২২) পুঁজিৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত অসমৰ বিভিন্ন প্ৰান্তত মুঠ ১৯৭৫  টা অঙ্গনবাড়ী কেন্দ্ৰৰ মেৰামতিৰ বাবে মুঠ ৭২০৬.০৮৫৪৮ লাখ টকাৰ অনুদান আগবঢ়োৱা হৈছিল। তাৰে ভিতৰত ডিব্ৰুগড় জিলাত অনুদান আগবঢ়োৱা মুঠ  অঙ্গনবাড়ী কেন্দ্ৰৰ সংখ্যা আছিল ৪ টা।

খ) জিলাসমূহৰ পৰা প্ৰাপ্ত তথ্যমতে, বৰ্তমানলৈকে এই কেন্দ্ৰসমূহৰ ভিতৰত মুঠ ৯২০  টা কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে, ৯১৩  টা কেন্দ্ৰৰ নিৰ্মাণকাৰ্য চলি আছে,  ১৩  টা কেন্দ্ৰৰ নিৰ্মাণৰ কাম গৰা-খহনীয়া তথা অন্য অসুবিধাৰ বাবে কৰিবপৰা হোৱা নাই আৰু ১২৯  টা কেন্দ্ৰৰ নিবিদাৰ প্ৰক্ৰিয়া চলি আছে।

গ) পুনঃনিৰ্মাণ/ মেৰামতিকাৰ্য সম্পূৰ্ণ হোৱা অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ বিপৰীতে এতিয়ালৈকে মুঠ ১৫০০.৪৭১ লাখ টকাৰ বিল জিলাসমূহৰপৰা লাভ কৰা হৈছে আৰু তাৰে ভিতৰত এতিয়ালৈকে ৩০ লাখ টকা মুকলি কৰি দিয়া হৈছে। বাকী থকা বিলসমূহ মোকলাই দিয়াৰ বাবে বিভাগীয় প্ৰক্ৰিয়া চলি আছে।

* * *

বি: দ্ৰ: প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।